GAS S6 02 (M)

Exam Code: ASM6B

অসমৰ ধৰ্মীয় পৰম্পৰা আৰু সাহিত্য

ষষ্ঠ ষাণ্মাসিক

অসমীয়া

খণ্ড - ২



কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

বিষয় বিশেষজ্ঞ মণ্ডলী

ড^{0} শৈলেন ভৰালী, অধ্যাপক (অৱসৰপ্ৰাপ্ত),গুৱাহাটী বিশ্ববিদ্যালয়

ড^{0} দীপ্তি ফুকন পাটগিৰি, অধ্যাপিকা, গুৱাহাটী বিশ্ববিদ্যালয়

ড^{0} মঞ্জুমালা দাস, সহযোগী অধ্যাপিকা (অৱসৰপ্ৰাপ্ত), সন্দিকৈ ছোৱালী মহাবিদ্যালয়

সমন্বয়ৰক্ষী ঃ ড^{0} মৃণাল জ্যোতি গোস্বামী, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

প্রস্তুতি গোটৰ সদস্য

অধ্যায়	*অৱিহণা যোগাইছে*
৮, ৯, ১১, ১২, ১৩, ১৫	ড^{0} জোনমণি গগৈ গুৱাহাটী
১০	ড^{0} মঞ্জু গোস্বামী আর্য বিদ্যাপীঠ মহাবিদ্যালয়, গুৱাহাটী
১৪	ড^{0} বিমল মজুমদাৰ গুৱাহাটী বিশ্ববিদ্যালয়, গুৱাহাটী

সম্পাদনা ঃ

বিষয়বস্তু, গাঁথনিক আৰু ভাষা সম্পাদনা ঃ ড^{0} মৃণাল জ্যোতি গোস্বামী

আর্হি কাকত ঃ ড^{0} জোনমণি গগৈ, গুৱাহাটী

প্রথম প্রকাশ ঃ ডিচেম্বৰ, 2019 **ISBN:.....**

This Self Learning Material (SLM) of the Krishna Kanta Handiqui State Open University is made available under a Creative Commons Attribution-Non Commercial-Share Alike 4.0 License (international): http://creativecommons.org/licenses/by-nc-sa/4.0/

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ হৈ পঞ্জীয়কৰ দ্বাৰা মুদ্রিত আৰু প্রকাশিত।

মুখ্য কার্যালয় ঃ পাটগাঁও, ৰাণী গেট, গুৱাহাটী - ৭৮১ ০১৭

উপ-মুখ্য কার্যালয় ঃ হাউচফেড কমপ্লেক্স, দিচপুৰ, গুৱাহাটী - ৭৮১ ০০৬; Web : www.kkhsou.in

এই শিক্ষণ সামগ্রী প্রস্তুতিৰ বাবে আর্থিক অনুদান আগবঢ়োৱা
দূৰ শিক্ষা সংস্থা, বিশ্ববিদ্যালয় অনুদান আয়োগৰ ওচৰত বিশ্ববিদ্যালয় কৃতজ্ঞ।

বিষয়সূচী

পৃষ্ঠা নং

অধ্যায় ৮ ঃ **মাধৱদেৱ — *নামঘোষা* - ১** 137–147
নামঘোষা ঃ তাত্ত্বিক দিশ

অধ্যায় ৯ ঃ **মাধৱদেৱ — *নামঘোষা* - ২** 148–160
নামঘোষা — মূল পাঠ (প্রথম 50 কূট ঘোষা) ঃ সাধাৰণ আলোচনা

অধ্যায় ১০ ঃ **ভট্টদেৱ — *ভক্তি-বিবেক* - ১** 161–171
ভট্টদেৱৰ জীৱন আৰু কৃতি ঃ প্রকৰণ গ্রন্থৰ ৰচক হিচাপে ভট্টদেৱ; *ভক্তি-বিবেক*ৰ সাধাৰণ আভাস

অধ্যায় ১১ ঃ **ভট্টদেৱ — *ভক্তি-বিবেক* - ২** 172–185
*ভক্তি-বিবেক*ৰ ‘গুৰু-শিষ্য নির্ণয়’ আৰু ‘নাম-মাহাত্ম্য’ৰ মূল পাঠ ঃ সাধাৰণ আলোচনা

অধ্যায় ১২ ঃ **সুকবি নাৰায়ণদেৱ — *পদ্মা-পুৰাণ* - ১** 186–196
সুকবি নাৰায়ণদেৱৰ জীৱন আৰু কৃতি; *পদ্মা-পুৰাণ* ঃ সাধাৰণ আলোচনা

অধ্যায় ১৩ ঃ **সুকবি নাৰায়ণদেৱ — *পদ্মা-পুৰাণ* - ২** 197–209
মূল পাঠ (লখাইক দংশন কৰিবলৈ কালিনাগৰ যাত্রাৰ পৰা কালিনাগৰ দ্বাৰা লখাইক দংশন)
ঃ সাধাৰণ আলোচনা

অধ্যায় ১৪ ঃ **ৰুদ্র সিংহ — *শিৱ পুৰাণ* - ১** 210–222
শিৱ পুৰাণ ঃ কবি পৰিচয়; বিষয়বস্তু আৰু অধ্যায় পৰিচয়; *শিৱ পুৰাণ*ত পুৰাণৰ বৈশিষ্ট্য

অধ্যায় ১৫ ঃ **ৰুদ্র সিংহ — *শিৱ পুৰাণ* - ২** 223–232
মূল পাঠ (*শিৱ পুৰাণ*ৰ ‘শিৱৰ মাহাত্ম্য ব্যাখ্যা’ আৰু ‘সনত কুমাৰৰ শিৱ স্তুতি’) ঃ সাধাৰণ
আলোচনা

প্রসংগপুথি 233–236

খণ্ড পৰিচয় ঃ খণ্ড - ২

এই খণ্ডটো 'অসমৰ ধর্মীয় পৰম্পৰা আৰু সাহিত্য' শীর্ষক পাঠ্যবিষয়টিৰ দ্বিতীয় খণ্ড। সর্বমুঠ আঠটা অধ্যায়েৰে এই খণ্ডটো সজোৱা হৈছে। ইতিমধ্যে এই পাঠ্যবিষয়টিৰ প্রথম খণ্ডটোত আপুনি অসমৰ তিনিটা প্রধান ধর্মৰ ধাৰাৰ লগতে বৈষ্ণৱ ভক্তি সাহিত্যৰো কিছু পাঠ অধ্যয়ন কৰি আহিছে। এই খণ্ডটোতো বৈষ্ণৱ ভক্তি সাহিত্যৰ অন্তর্গত দুটি সাহিত্যপাঠ আৰু শৈৱ তথা শাক্ত সাহিত্যৰ একোটিকৈ পাঠ অধ্যয়ন কৰিব।

খণ্ডটোৰ প্রথম আৰু পাঠ্যবিষয়টিৰ অষ্টম অধ্যায়টোৰ শিৰোনাম হ'ল — "মাধৱদেৱ — *নামঘোষা* - 1।" এই অধ্যায়টিত মহাপুৰুষ মাধৱদেৱ বিৰচিত *নামঘোষা* গ্রন্থখনৰ সাধাৰণ পৰিচয় দাঙি ধৰাৰ লগতে তাত প্রতিফলিত তাত্ত্বিক দিশ সম্পর্কে বহলাই আলোচনা কৰা হৈছে। ইয়াৰ পৰৱর্তী অধ্যায় "মাধৱদেৱ — *নামঘোষা* - 2"ত *নামঘোষা*ৰ প্রথম 50 কূট ঘোষাৰ মূল পাঠসহ বিষয়বস্তু সম্পর্কে আপোনাক ধাৰণা প্রদান কৰা হৈছে। ইয়াৰ জৰিয়তে আপুনি মাধৱদেৱৰ ধর্মীয় মত সম্পর্কেও অৱগত হ'ব। পাঠ্যবিষয়টিৰ দশম-একাদশ অধ্যায়ত দামোদৰীয়া পন্থাৰ বৈষ্ণৱ ধর্ম সাধনাৰ বিষয়ে এটি ধাৰণা প্রদান কৰিবলৈকে ভট্টদেৱ বিৰচিত *ভক্তি-বিবেক* পুথিখন অন্তর্ভুক্ত কৰা হৈছে। ইয়াৰ দশম অধ্যায়ত ভট্টদেৱৰ জীৱন আৰু কৃতি, প্রকৰণ গ্রন্থৰ ৰচক হিচাপে ভট্টদেৱৰ বিষয়ে আলোচনা কৰি *ভক্তি-বিবেক* পুথিখনৰ এক সাধাৰণ আভাস দাঙি ধৰা হৈছে। একাদশ অধ্যায়ত *ভক্তি-বিবেক*ৰ 'গুৰু-শিষ্য নির্ণয়' আৰু 'নাম-মাহাত্ম্য'ৰ শীর্ষক দুটি অধ্যায়ৰ মূল পাঠ উল্লেখ কৰি তাৰ বিষয়বস্তু সম্পর্কে আলোচনা কৰা হৈছে। এই আলোচনাখিনিৰ জৰিয়তে আপুনি দামোদৰীয়া পন্থাৰ বৈষ্ণৱ ধর্ম সাধনাৰ প্রক্রিয়া সম্পর্কে অৱগত হ'ব।

অসমত প্রচলিত শাক্ত আৰু শৈৱ সাহিত্য সম্পর্কে ধাৰণা প্রদান কৰিবলৈকে চাৰিটা অধ্যায় এই পাঠ্যবিষয়ত অন্তর্ভুক্ত কৰা হৈছে। দ্বাদশ অধ্যায় 'সুকবি নাৰায়ণদেৱ — *পদ্মা-পুৰাণ* -1'ত সুকবি নাৰায়ণদেৱৰ জীৱন আৰু কৃতি, দেৱী-মাহাত্ম্য প্রকাশক গ্রন্থ হিচাপে *পদ্মা-পুৰাণ*ক আলোচনা কৰাৰ লগতে পুথিখনৰ বিষয়ে জানিবলগীয়া কিছু কথা সন্নিৱিষ্ট কৰা হৈছে। ত্রয়োদশ অধ্যায়ত *পদ্মা-পুৰাণ*ৰ ভাটীয়ালী খণ্ডৰ অন্তর্গত "লখাইক দংশন কৰিবলৈ কালিনাগৰ যাত্রাৰ পৰা কালিনাগৰ দ্বাৰা লখাইক দংশন" অংশটোৰ মূল পাঠ উল্লেখ কৰি তাৰ বিষয়বস্তু তথা সেই পাঠাংশত কেনেদৰে দেৱী মাহাত্ম্য প্রকাশ পাইছে সেয়া আলোচনা কৰা গৈছে। পাঠ্যবিষয়টিৰ শেষৰ দুটি অধ্যায়ত শৈৱ সাহিত্যৰ আভাস দিবলৈকে ৰুদ্র সিংহৰ *শিৱ পুৰাণ* পুথিখনৰ বিষয়ে দুটি অধ্যায় সন্নিৱিষ্ট কৰা গৈছে। চতুদর্শ অধ্যায়টোত ৰুদ্র সিংহৰ পৰিচয় দাঙি ধৰি *শিৱ পুৰাণ*ৰ বিষয়বস্তু আৰু অধ্যায় পৰিচয় তথা *শিৱ পুৰাণ*ত পুৰাণৰ বৈশিষ্ট্য কেনেদৰে ৰক্ষিত হৈছে সেয়া বিচাৰ কৰা হৈছে। "ৰুদ্র সিংহ — *শিৱ পুৰাণ* - 2" শীর্ষক পাঠ্যবিষয়টিৰ অন্তিমটো অধ্যায়ত *শিৱ পুৰাণ*ৰ 'শিৱৰ মাহাত্ম্য ব্যাখ্যা' আৰু 'সনত কুমাৰৰ শিৱ স্তুতি' শীর্ষক নির্বাচিত পাঠাংশৰ মূল পাঠ উল্লেখ কৰি বহলাই আলোচনা দাঙি ধৰা হৈছে। এই খণ্ডটো অধ্যয়ন কৰি আপুনি সামগ্রিকভাৱে অসমৰ ধর্মীয় সাহিত্যৰাজিৰ ধাৰণা লাভ কৰিব বুলি আশা কৰা হৈছে।

এই খণ্ডটো অধ্যয়ন কৰোঁতে মূল পাঠৰ সোঁ তথা বাওঁফালে কিছুমান আয়তাকাৰ বাকচ লক্ষ্য কৰিব। এইবোৰত মূল পাঠত থকা নতুন শব্দ আৰু পৰিভাষাসমূহৰ অর্থ সন্নিৱিষ্ট হৈছে। সেইদৰে — 'জানি থোৱা ভাল' বাকচবোৰত মূল পাঠৰ সৈতে জড়িত কিছু গুৰুত্বপূর্ণ তথ্যৰ সম্ভেদ আছে। প্রতিটো অধ্যায়ত থকা 'চিন্তা-চর্চা কৰক'সমূহে অধ্যয়ন অধিক সক্রিয় আৰু ফলপ্রসূ হোৱাত সহায় কৰিব। আকৌ, 'অগ্রগতি নিৰীক্ষণ' যোগে আগবঢ়োৱা প্রশ্নাৱলীয়ে অধ্যয়নৰ অগ্রগতি সম্পর্কে স্ব-পৰীক্ষণৰ সুবিধা দিব। অধ্যয়নৰ লগে লগে উক্ত প্রশ্নাৱলীৰ উত্তৰসমূহ লিখি শেষত দিয়া 'অগ্রগতিৰ খতিয়ান'ৰ সৈতে ৰিজাই চোৱাটো অধিক লাভদায়ক হ'ব। অধ্যায়টিত আলোচিত বিভিন্ন বিষয়সমূহৰ বিস্তৃত অধ্যয়নৰ বাবে 'অধিক জানিবলৈ' শিতানত উল্লেখ থকা গ্রন্থসমূহ সাৰথিস্বৰূপ। অধ্যায়বোৰৰ শেষত 'আর্হি প্রশ্ন' হিচাপে কেইটিমান প্রশ্নৰ আর্হিও তুলি দিয়া হৈছে। এই খণ্ডটিৰ শেষৰ অধ্যায়টিৰ পাছত কেইখনমান 'প্রসঙ্গ পুথি'ৰ নাম উল্লেখ কৰা হৈছে। সেই কেইখন পুথিৰ সহায়েৰেই মূলতঃ এই পাঠ্যবিষয়ৰ অধ্যায়সমূহ প্রস্তুত কৰা হৈছে। আপোনালোকে বিশদভাৱে কোনো বিষয় জানিবলৈ হ'লে সেইকেইখন পুথি অধ্যয়ন কৰিব পাৰিব।